# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-10-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাৰ্মানীৰ চেঞ্চলাৰ অ'লাফ ছোল্‌জে আজি নতুন দিল্লীত সপ্তম আন্তঃচৰকাৰী পৰামৰ্শ বৈঠকত সহ অধ্যক্ষতা কৰিব।

২। ডানা নামৰ ঘূৰ্ণী বতাহ জাক সম্প্ৰতি ওড়িশা আৰু পশ্চিমবংগৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে।

৩। ন্যায়াধীশ সঞ্জীৱ খান্না দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হ'ব।

৪। কংগ্ৰেছে মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৪৮ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৫৯ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাৰ্মানীৰ চেঞ্চলাৰ অ'লাফ ছোল্‌জে আজি নতুন দিল্লীত সপ্তম আন্তঃচৰকাৰী পৰামৰ্শ বৈঠকত সহ অধ্যক্ষতা কৰিব। শ্ৰীছোল্‌জ যোৱানিশা তিনিদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে। আন্তঃচৰকাৰী পৰামৰ্শ বৈঠক পূৰ্ণ চৰকাৰী মঞ্চ আৰু ইয়াৰ অধীনত দুয়োপক্ষৰ মন্ত্ৰীসকলে নিজ নিজ ক্ষেত্ৰৰ দায়িত্ব সম্পৰ্কে আলোচনা কৰে আৰু ইয়াৰ প্ৰতিবেদন প্ৰধানমন্ত্ৰী আৰু চেন্সেলৰৰ হাতত প্ৰদান কৰে।

দুয়োগৰাকী নেতাই সুৰক্ষা আৰু প্ৰতিৰক্ষা সহযোগিতা, ঘনিষ্ঠ অৰ্থনৈতিক সহযোগিতা, সেউজ আৰু বহনক্ষম উন্নয়ন অংশীদাৰিত্ব তথা উদীয়মান আৰু কৌশলগত প্ৰযুক্তিৰ ক্ষেত্ৰৰ সহযোগিতা সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে আজি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। নেতা দুগৰাকীয়ে লগতে অষ্টাদশ এছিয়া প্ৰশান্ত সন্মিলনকো সম্বোধন কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে ছত্তিশগড়লৈ যাব। শ্ৰীমতী মুৰ্মুৰে আজি ৰায়পুৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছ আৰু এন আই টি সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। তেওঁ লগতে নয়া ৰায়পুৰৰ পুৰখৌতি মুক্তাংগন পৰিদৰ্শন কৰিব। কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে আই আই টি ভিলাইৰ সমাৱৰ্তন অনুষ্ঠানত অংশ ল'ব। তেওঁ লগতে পণ্ডিত দীন দয়াল উপাধ্যায় স্বাস্থ্য বিজ্ঞান আৰু আয়ুষ বিশ্ববিদ্যালয়ৰ তৃতীয় সমাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, কালি মাজনিশা ওড়িশাৰ ভিটৰকনিকা ৰাষ্ট্ৰীয় উদ্যান আৰু ধামৰা বন্দৰৰ মাজৰ উপকূল ভাগত খুন্দা মৰা ডানা নামৰ ঘূৰ্ণী বতাহ জাক সম্প্ৰতি ওড়িশা আৰু পশ্চিমবংগৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে। ভূৱনেশ্বৰৰ বতৰ বিজ্ঞান বিভাগৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, ধুমুহাজাক ভূ-ভাগত প্ৰৱেশ কৰাৰ সময়ত ইয়াৰ গতিবেগ প্ৰতিঘণ্টাত ১২০ কিলোমিটাৰলৈ বৃদ্ধি পায়। প্ৰৱল ধুমুহা জাক দুৰ্বল হোৱালৈকে প্ৰায় ৩-৪ ঘণ্টা বতাহ জাকৰ প্ৰাবল্য একেদৰে থাকে। বতাহজাকৰ প্ৰভাৱত ওড়িশাৰ কেন্দ্ৰপাৰা আৰু ভদ্ৰক জিলাত ধাৰাষাৰ বৰষুণ হোৱা বুলি জানিব পৰা গৈছে। ময়ুৰভঞ্জ, কটক, জাজপুৰ, বালেশ্বৰ আৰু জগতসিঙপুৰ জিলা আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহতো প্ৰৱল বৰষুণ দি আছে। স্থানীয় কৰ্তৃপক্ষসমূহক সৰ্তক কৰি দিয়া হৈছে আৰু বিপদৰ আশংকা থকা এলেকাসমূহক জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন মাঝিয়ে পৰিস্থিতি সক্ৰিয়ভাৱে নিৰীক্ষণ কৰি আছে।

ooooo

ন্যায়াধীশ সঞ্জীৱ খান্না দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হ'ব। আইনমন্ত্ৰী অৰ্জুনৰাম মেঘৱালে সামাজিক মাধ্যম যোগে কৈছে যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বৰ্তমানৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ সৈতে আলাপ আলোচনাৰ অন্তত ন্যায়াধীশ খান্নাক ১১ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিছে। ন্যায়াধীশ খান্না দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হ'ব আৰু তেওঁ অহা বছৰ ১৩ মে'ত অৱসৰ গ্ৰহণ কৰিব। ন্যায়াধীশ খান্নাই ২০১৯ চনৰ ১৮ জানুৱাৰীত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। এই সময়চোৱাত তেওঁ সৰ্বোচ্চ ন্যায়ালয়ৰ বিভিন্ন সাংবিধানিক বিচাৰ পীঠত কাম কৰিছে আৰু ভালেমান গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। ন্যায়াধীশগৰাকীৰ ৰায়দানত ব্যক্তিগত স্বাধীনতাৰ প্ৰাধান্য আৰু শক্তিশালী গণতান্ত্ৰিক অংশগ্ৰহণ প্ৰক্ৰিয়াই গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে।

বৰ্তমানৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে ২০২২ চনৰ ৯ নৱেম্বৰত  কাৰ্যভাৰ গ্ৰহণ কৰিছিল। তেওঁ অহা ১০ নৱেম্বৰত অৱসৰ গ্ৰহণ কৰিব।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পৰহিলৈ গুৱাহাটীত উপস্থিত হৈ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে।

ooooo

কংগ্ৰেছে মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৪৮ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি দলৰ জ্যেষ্ঠ নেতা পৃথ্বিৰাজ চৌহানে কৰাড দক্ষিণ বিধানসভা সমষ্টিৰ পৰা আৰু বিজয় বালাচাহেব থোৰাটে সংগমনেৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিধানসভাত বিৰোধী পক্ষৰ নেতা বিজয় ৰেডেট্টিৱাৰক ব্ৰহ্মপুৰী আসনৰ পৰা দলীয় টিকট প্ৰদান কৰা হৈছে। একেদৰে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি নানা পটোলেই চাকলি সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব।

কংগ্ৰেছে লগতে ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে আৰু ৭ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। কে এন ট্ৰিপাঠীয়ে ডাল্টনগঞ্জ সমষ্টিৰ পৰা আৰু নিছাট আলমে পাকুড় সমষ্টিৰ পৰা নিৰ্বাচনত দলৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

ডিজিটেল নিউজ প'ৰ্টেলসমূহে এতিয়া shabd.prasarbharati.org/register-ত এটা সাধাৰণ চাইন আপ পূৰণ কৰি PB Shabd প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ জৰিয়তে ডিজিটেল নিউজ প'ৰ্টেলসমূহে সমগ্ৰ ভাৰততে প্ৰধান ভাৰতীয় ভাষাসমূহত PB Shabdত ল'গ মুক্ত বিষয়বস্তু লাভ কৰিব। এই সেৱা সকলো গণমাধ্যমৰ সৈতে জড়িত সংস্থাই চাইন আপ কৰি ২০২৫ চনৰ মাৰ্চ পৰ্যন্ত ব্যৱহাৰ কৰিব পাৰিব। প্ৰসাৰ ভাৰতীয় চলিত বৰ্ষৰ ১৩ মাৰ্চত এই দৃশ্য শ্ৰব্য বিষয়সমূহৰ প্ৰচাৰ আৰু বিতৰণৰ ক্ষেত্ৰত নিউজ চেয়াৰিং সেৱা হিচাপে মুকলি কৰিছিল যাতে বিভিন্ন প্ৰকাৰে দৈনন্দিন খবৰসমূহ যোগান ধৰিব পৰা যায়। subscriptionৰ নিয়ম অনুসাৰে, ইংৰাজী আৰু হিন্দী ভাষাৰ প'ৰ্টেলসমূহৰ নূন্যতম ১ লাখ গ্ৰাহক লাগিব। অন্যহাতে আঞ্চলিক বাতৰিৰ প'ৰ্টেলৰ ক্ষেত্ৰত কমেও ৫০ হাজাৰ গ্ৰাহকৰ প্ৰয়োজন হ'ব। লগতে ইউ টিউব একাউণ্টটো পৰীক্ষা কৰিব লাগিব আৰু প'ৰ্টেলটোৰ অস্তিত্ব কমেও এবছৰ হ'ব লাগিব। প'ৰ্টেলটোৱে প্ৰতিমাহে কমেও এটা ভিডিঅ' আপডেট কৰা আৰু আৱেদনৰ সময়ত শেষৰ মাহত কমেও ৫টা ভিডিঅ' আপডেট কৰা হ'ব লাগিব।

ooooo

গুজৰাটৰ গান্ধীনগৰৰ মহাত্মা মন্দিৰত আজিৰে পৰা ১৭ সংখ্যক নগৰীয়া গতিশীলতা ভাৰত সন্মিলন আৰু প্ৰদৰ্শনী আৰম্ভ হ'ব। কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে আয়োজন কৰা তিনিদিনীয়া এই সন্মিলন গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে উদ্বোধন কৰিব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া, নীতি নিৰ্ধাৰক আৰু নগৰ পৰিবহন বিশেষজ্ঞকে ধৰি প্ৰায় ৩ হাজাৰ গণ্যমান লোক উপস্থিত থাকিব।

গান্ধীনগৰৰ এই সন্মিলন সম্পৰ্কে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব জয়দ্বীপে কয় যে, এই সন্মিলনখনে মূলতঃ নগৰীয়া গতিশীলতা সমাধানৰ মান আৰু ইয়াৰ একত্ৰিকৰণত গুৰুত্ব দিব।

কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল খট্টৰে সন্মিলনৰ শেষৰ খন সত্ৰত সভাপতিত্ব কৰিব। সামৰণি সত্ৰত উত্তম নগৰীয়া পৰিচালনাৰ বাবে ৮টা বিভিন্ন শাখাত মহানগৰসমূহক পুৰস্কৃত কৰা হ'ব।

ooooo

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২৪ বৰ্ষৰ ক্ৰীড়া বঁটাসমূহৰ বাবে আৱেদন বিচাৰিছে। খেলৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট প্ৰদৰ্শনৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে এই বঁটাসমূহ প্ৰদান কৰা হয়। খেলৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট আৰু আকৰ্ষণীয় প্ৰদৰ্শনৰ বাবে এগৰাকী খেলুৱৈকে মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হয়। একেদৰে নিৰন্তৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে অৰ্জুন বঁটা প্ৰদান কৰা হয়। খেলৰ বিকাশত আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে শেহতীয়াকৈ প্ৰৱৰ্তন কৰা অৰ্জুন জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। সেইদৰে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতাত পদক জয়ী খেলুৱৈ গঢ়ি তোলাৰ বাবে প্ৰশিক্ষকসকলক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়। যোগ্য খেলুৱৈ, প্ৰশিক্ষক আৰু সংস্থাসমূহে ১৪ নৱেম্বৰৰ ভিতৰত dbtyas-sports.gov.in প'ৰ্টেল যোগে আৱেদন দাখিল কৰিব পাৰিব।

ooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৫৯ ৰানত পৰাস্ত কৰে। নিউজিলেণ্ড ২২৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪০ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৮ ৰানহে

কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰাধা যাদৱে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ছাইমা ঠাকোৰে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৪ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ তেজল হছবনিচে সৰ্বাধিক ৪২ ৰান কৰে। দিপ্তী শৰ্মাই ৪১ ৰানৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই। দিপ্তী শৰ্মাক প্লেয়াৰ অব্‌ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**